জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৮৭/২০২৩**

# বৰগুৰিত ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ তিনিচুকীয়া জিলা সমিতিৰ নৱনিৰ্মিত স্থায়ী কাৰ্যালয় ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন মুখ্যমন্ত্ৰীৰ

## চৰৈৱেতী লক্ষ্যৰে ভাৰতীয় জনতা পাৰ্টিয়ে ক্ৰমাৎ আগুৱাই গৈ আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ মে’** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়াৰ বৰগুৰিত ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ তিনিচুকীয়া জিলা সমিতিৰ নৱনিৰ্মিত স্থায়ী কাৰ্যালয় ভৱনটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ যে, ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ এইটো ২০ সংখ্যক স্থায়ী জিলা কাৰ্যালয় ভৱন।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাৰতীয় জনতা পাৰ্টিৰ বাবে কাৰ্যালয়সমূহ একোটা মন্দিৰ বুলি অভিহিত কৰে। তেওঁ কয় যে গুৱাহাটীত ভাৰতীয় জনতা পাৰ্টিৰ উত্তৰ পূৰ্বাঞ্চলৰ কাৰ্যালয় আৰু অসম প্ৰদেশৰ কাৰ্যালয় দুটা ইতিমধ্যে নিৰ্মাণ হৈছে। আনহাতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কিছুদিন আগেয়ে অসম আৰু অৰুণাচল প্ৰদেশ ভ্ৰমণসূচী লৈ এই অঞ্চললৈ অহাৰ সময়ত ডিব্ৰুগড়ত ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ উজনি অসমৰ মাণ্ডলিক কাৰ্যালয় ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছে। এই ভৱনটোৰ নিৰ্মাণ কম দিনৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব। মুখ্যমন্ত্ৰীয়ে সদৰি কৰে যে সম্প্ৰতি ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ আৰু আঠখন জিলা সমিতিৰ কাৰ্যালয় ভৱন নিৰ্মাণৰ কাম চলি আছে। এই বছৰৰ শেষৰ ফালে সকলো জিলাৰে কাৰ্যালয় ভৱন নিৰ্মাণৰ কাম সমাপ্ত হ’ব। দলৰ কাৰ্যালয় নিৰ্মাণৰ এই প্ৰক্ৰিয়াটোক আৰু এটা পৰ্যায় আগুৱাই নি মণ্ডল কাৰ্যালয় নিৰ্মাণ প্ৰচেষ্টা হাতত লোৱা হৈছে বুলিও সদৰি কৰি তেওঁ কয় যে চলিত বৰ্ষৰ ডিচেম্বৰ মাহলৈকে ৰাজ্যৰ প্ৰতিটো সমষ্টিতে একোটাকৈ মণ্ডল কাৰ্যালয় নিৰ্মাণৰ কাম সম্পূৰ্ণ হ’ব। এখন ৰাজ্যত এটা ৰাজনৈতিক দলৰ মণ্ডল পৰ্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়লৈকে নিজ ভূমিত নিজ কাৰ্যালয় থকা ভাৰতীয় জনতা পাৰ্টিয়েই প্ৰথম দল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাৰ্যালয় নিৰ্মাণ দলৰ বাবে এটা অন্যতম লক্ষ্য আছিল। তেওঁ মন্তব্য কৰে যে দলৰ কাম-কাজসমূহ যে কোনো ব্যক্তিৰ গৃহত নহয়, বৰং অকল কাৰ্যালয়তহে সম্পাদিত হয় সেয়া কাৰ্যালয় এটাই সূচায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দলৰ সংসদীয় সমিতিৰ বৈঠক দলীয় কাৰ্যালয়তহে অনুষ্ঠিত কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ নিজা ৰাজ্যিক কাৰ্যালয় ভৱন নিৰ্মাণ হৈ উঠাৰ পাছত দলীয় বৈঠকসমূহ সেই কাৰ্যালয়ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় জনতা পাৰ্টিৰ এই কাৰ্যালয়ে দলটো যে কাৰো ব্যক্তিগত বা কোনো পৰিয়ালৰ সম্পত্তি নহয় বৰং কাৰ্যকৰ্তা সকলৰহে সম্পত্তি সেয়া প্ৰতীকি ৰূপত প্ৰকাশ কৰে। ভাৰতীয় জনতা পাৰ্টিৰ জন্মলগ্ন আৰু ইয়াৰ আগৰ জনসংঘৰ দিনৰে পৰা কাৰ্যকৰ্তা সকলৰ ইচ্ছা আৰু আকাংক্ষাৰ ভিত্তিত প্ৰতিটো সিদ্ধান্ত যাতে

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

দলৰ সিদ্ধান্ত হ'ব পাৰে সেই দিশত গুৰুত্ব প্ৰদান কৰি অহা হৈছে বুলি উল্লেখ কৰি সিদ্ধান্তসমূহ সদায় দলৰ আৰু ৰাইজ হিতৰ বাবে হ'ব লাগে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ভাষণ প্ৰসংগত ড° শৰ্মাই মন্তব্য কৰে যে কাৰ্যকৰ্তা, কাৰ্যসূচী, কাৰ্যালয় আৰু কোষ- এই চাৰিটা 'ক'ৰ ওপৰতে ভাৰতীয় জনতা পাৰ্টি পৰিচালিত হয়। তেওঁ কয় যে বিজেপিৰ স্পষ্ট কাৰ্যসূচী আছে আৰু দলৰ কাৰ্যকৰ্তাসকল শক্তিশালী। ইতিমধ্যে দলীয় কাৰ্যালয়ো নিৰ্মাণ হৈছে আৰু দলীয় কাৰ্যকৰ্তাসকলৰ সহযোগিতাৰে কাৰ্যালয় পৰিচালনাৰ বাবে এটা শক্তিশালী কোষ নিৰ্মাণৰ কামো লাহে লাহে আগবাঢ়িছে। মুখ্যমন্ত্ৰীয়ে কয় যে তিনিচুকীয়াত নৱনিৰ্মিত এই কাৰ্যালয়টোৱে প্ৰমাণ কৰিছে যে যি সকল অগ্ৰজ নেতাই এটা ডাঙৰ আশা লৈ অঞ্চলটোত ভাৰতীয় জনতা পাৰ্টিৰ কাম-কাজ আৰম্ভ কৰিছিল, নতুন প্ৰজন্ম তথা পৰৱৰ্তি প্ৰজন্মই এই কাৰ্যসূচীক আগুৱাই লৈ গৈছে আৰু দলটোক স্থবিৰ হৈ যাবলৈ দিয়া নাই। চৰৈৱেতী লক্ষ্যৰে ভাৰতীয় জনতা পাৰ্টিয়ে ক্ৰমাৎ আগুৱাই গৈ আছে আৰু এই যাত্ৰা অব্যাহত থাকিব বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে তিনিচুকীয়া জিলা সমিতিৰ নৱনিৰ্মিত কাৰ্যালয় ভৱনটোৰ স্বচ্ছতা বৰ্তাই ৰখাৰ লগতে কাৰ্যালয় চৌহদত গছপুলি ৰোপণৰ বাবে দলীয় কাৰ্যকৰ্তাসকলক আহ্বান জনায়।

অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতা, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, ডা° ৰণোজ পেগু, বিমল বড়া, নন্দিতা গাৰ্লোচা, সঞ্জয় কিষাণ, জয়ন্ত মল্লবৰুৱা, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সাধাৰণ সম্পাদক পুলক গোহাঁই, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি কুশকান্ত বড়া, বিধায়ক প্ৰশান্ত ফুকন, ভাস্কৰ শৰ্মা, সুৰেন ফুকন, ৰূপেশ গোৱালা, তৰংগ গগৈৰ উপৰি বিজেপি, তিনিচুকীয়া জিলাৰ সহ প্ৰভাৰী অনুপ সিং ৰাজপুৰোহিতকে ধৰি বহু দলীয় নেতা কৰ্মী উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**১৭/৫/২০২৩**